# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-05-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - -

১। ৰীমাল ঘূৰ্ণীবতাহৰ ফলত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত ৰাজ্যৰ কেইবাখনো জিলাৰ ভালেমান অঞ্চল প্লাৱিত। জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাৰ বৰাক উপত্যকাৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন।

২। লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি সামৰণি। অন্তিম দিনটোত বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদী পঞ্জাবত আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ ওড়িশাত নিৰ্বাচনী প্ৰচাৰ।

৩। চলিত বিত্তীয় বৰ্ষত দেশৰ অৰ্থনীতি ৭ শতাংশ হাৰত বৃদ্ধি পাব বুলি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পূৰ্বানুমান।

৪। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ২০২৩-২৪ পৰ্যটন বৰ্ষৰ বাবে কাইলৈৰ পৰা বন্ধ।

**আৰু**

৫। কামৰূপ জিলাৰ মিৰ্জাত খাদ্যত বিষক্ৰিয়া অসুস্থ হৈ পৰা ২৮জন লোক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন।

ooooo

ৰাজ্যখনত শেহতীয়াভাৱে ৰিমাল ঘূৰ্ণিবতাহৰ ফলত হোৱা ধাৰাষাৰ বৰষুণে কেইবাখনো জিলাৰ গ্ৰামাঞ্চল আৰু নগৰাঞ্চল প্লাৱিত কৰিছে। ৰাজ্যখনৰ কমেও ৮ খন জিলা নগাঁও, হাইলাকান্দি, পশ্চিম কাৰ্বি আংলং, কৰিমগঞ্জ, কাছাৰ, হোজাই, গোলাঘাট আৰু কাৰ্বি আংলঙৰ ১৪৩ খন গাওঁ বানত ক্ষতিগ্ৰস্ত হৈছে। এই বানত ২৬ হাজাৰৰো অধিক লোক আৰু ১৯৭ হেক্টৰ কৃষি ভূমি ক্ষতিৰ সন্মুখীন হৈছে। এছ্ ডি আৰ এফ আৰু এন ডি আৰ এফে জিলাসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। বানে কেইবাটাও পথ প্লাৱিত কৰাৰ ফলত কোনো কোনো অঞ্চলত পথ যোগাযোগ ব্যাহত হৈছে। ইফালে, কাছাৰ জিলাৰ নগৰাঞ্চলত হোৱা বানৰ ফলত শিলচৰৰ ৪ সহস্ৰাধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। জিলাখনত বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিও ধুমুহা বৰষুণৰ ফলত বিস্তৰ ক্ষতি হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাত আজি দিনৰ ভাগত অহা এজাক ধুমুহা বৰষুণৰ ফলত অঞ্চলটোত বিস্তৰ ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। ধুমুহাই কেইবাটাও বাসগৃহ, মোবাইলৰ টাৱাৰ আদি ক্ষতি কৰাৰ লগতে যোগাযোগ ব্যৱস্থা ব্যাহত কৰে। বিশেষকৈ ভুৰাকাটা, কালাপানী, কুকুৰমাৰা, থেকামাৰী, ফুলেৰচৰ আৰু পাথৰীয়া গাঁও পঞ্চায়ত এলেকাত ধুমুহাত বহু লোক ক্ষতিগ্ৰস্ত হৈছে। ইপিনে, হাটশিঙিমাৰী মানকাচৰ সংযোগী পথত গছ উভালি পৰি যাতায়ত ব্যৱস্থা ব্যাহত হয়। জিলাখনৰ বিভিন্ন স্থানত বিদ্যুৎ পৰিবাহী খুঁটা উভালি পৰাৰ ফলত ঠায়ে ঠায়ে বিদ্যুৎ যোগানো ব্যাহত হৈ আছে। ইফালে, হাটশিঙিমাৰীৰ সমীপৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্ত্তী কালাইৰ আল[illegible]ত ব্ৰহ্মপুত্ৰৰ খহনীয়াই সমস্যাৰ সৃষ্টি কৰিছে। হাটশিঙিমাৰীৰ পৰা ভাৰত-বাংলাদেশ সীমান্ত সংযোগী একমাত্ৰ পথটো খহনীয়াত জাহ যোৱাৰ আশংকাই দেখা দিছে। ইফালে, সীমান্ত অঞ্চলৰ এই খহনীয়াই নিৰাপত্তাৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে।

ইপিনে, নগাঁও জিলাৰ কামপুৰ ৰাজহ চক্ৰৰ ২০খনৰো অধিক গাঁও জলমগ্ন হৈ পৰিছে। মথাউৰি চিগি গাঁওসমূহত পানী সোমোৱাৰ ফলত অঞ্চলটোৰ জনসাধাৰণ বিপদৰ সন্মুখীন হৈছে। জিলাখনৰ বান পৰিস্থিতি সন্দৰ্ভত আমাৰ নগাঁৱৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াই এইদৰে কয়-

**ভইচ কাষ্ট**

কৰিমগঞ্জৰ বিভিন্ন অঞ্চল বাঢ়নী পানীয়ে বুৰাই পেলাইছে। বদৰপুৰৰ কান্দিগ্ৰাম এলেকাত চিগা মথাউৰিৰে পানী সোমোৱাৰ ফলত কেইবাখনো গাঁও প্লাৱিত হৈছে। ইফালে, বৰাক আৰু কান্দিগ্ৰামত বৰাক নৈৰ বানে ৫০ হাজাৰ লোকক গৃহহীন কৰাৰ উপক্ৰম হৈছে।

নেৰানেপেৰা বৰষুণৰ ফলত উমৰাংছ'ৰ খান্দং বান্ধৰ সাতখন শ্লুইচ গেট খুলি দিয়াৰ ফলত কপিলী নৈৰ বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰিছে। হাইলাকান্দি জিলাৰ বিভিন্ন অঞ্চল বাঢ়নী পানীয়ে বুৰাই পেলাইছে। জিলাখনৰ লক্ষীনগৰ আৰক্ষী চকী সম্পূৰ্ণ ৰূপে বুৰ যোৱাৰ ফলত এখন বিদ্যালয়ত অস্থায়ীভাৱে আৰক্ষী চকী স্থাপন কৰা হৈছে।

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি বৰাক উপত্যকাৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। তেওঁ শিলচৰৰ শিৱবাৰী পথ পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত-বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কৰিমগঞ্জ জিলাৰ ইছাগঞ্জ গাঁৱত লংগাই নৈয়ে সৃষ্টি কৰা বান পৰিস্থিতিৰ বুজ লয়। তেওঁ জলসম্পদ বিভাগৰ অভিযন্তাসকলক ১৫ দিনৰ ভিতৰত মথাউৰিৰ সমস্যা সমাধান কৰিবলৈ নিৰ্দেশ দিয়ে। বৰাক উপত্যকাৰ সামগ্ৰিক বান পৰিস্থিতি সন্দৰ্ভত আমাৰ হাইলাকান্দিৰ সংবাদদাতা নিলোৎপল দেৱে এইদৰে কয়-

**ভইচ কাষ্ট**

০০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন। আজি সন্ধিয়া নিৰ্বাচনী প্ৰচাৰৰ অন্ত পৰে। দেশৰ ৭ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭ টা সমষ্টিত এই পৰ্যায়ত পহিলা জুনত ভোটগ্ৰহণ হ'ব। নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনা বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পঞ্জাবৰ হুছিয়াৰপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে হুছিয়াৰপুৰৰ নিৰ্বাচনী সভাত কংগ্ৰেছ দল আই এন ডি আই মিত্ৰজোঁটে ভোট বেংকৰ ৰাজনীতি কৰি আহিছে বুলি সমালোচনা কৰি কয় যে, বিৰোধী দলটোৱে ৰাজনীতিৰ বাবেই ৰাম মন্দিৰ নিৰ্মাণৰ ক্ষেত্ৰত বিৰোধিতা কৰি আহিছিল। লগতে বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে কয় যে, দলিত আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলৰ পৰা কোনেও সংৰক্ষণ কাঢ়ি নিব নোৱাৰে। সংৰক্ষণৰ ক্ষেত্ৰত কংগ্ৰেছ দলৰ নীতি অতি গৰ্হিত। তেওঁলোকে দলিত, অন্যান্য পিছপৰা শ্ৰেণীৰ লোকৰ সংৰক্ষণ কাঢ়ি নি কেৱল ধৰ্মীয় সংখ্যালঘু লোকক দিব বিচাৰে আৰু এয়া দেশক ধৰ্মৰ ভিত্তিত বিভাজন কৰাৰ এক গভীৰ ষড়যন্ত্ৰ বুলি তেওঁ মন্তব্য কৰে। কংগ্ৰেছৰ এনে নীতি বিজেপিয়ে উদঙাই দিয়াৰ বাবে কংগ্ৰেছে বিজেপিক সমালোচনা কৰি আহিছে বুলিও তেওঁ মন্তব্য কৰে। পঞ্জাবত নিৰ্বাচনী প্ৰচাৰত ভাগ লোৱাৰ পাছত বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে তিনিদিনীয়া ভ্ৰমণসূচীৰে কন্যাকুমাৰীত উপস্থিত হয়। শ্ৰীমোদীয়ে প্ৰথমে ভাগৱতী মন্দিৰ দৰ্শন কৰে। তাৰ পাছত তেওঁ এম এল বিবেকানন্দ জাহাজত উঠি স্বামী বিবেকানন্দ স্মাৰক ভ্ৰমণ কৰে। এই স্থানতে তেওঁ তিনি দিনৰ বাবে ধ্যানত বহিব। ১ জুনৰ দিনা ধ্যান সামৰি বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে এখন বিশেষ বিমানেৰে ত্ৰিবান্দমলৈ উভতি আহিব।

হিমাচল প্ৰদেশৰ ৪টা সংসদীয় সমষ্টি আৰু ৬টা বিধানসভা সমষ্টিটো পৰহিলৈ ভোটগ্ৰহণ হ'ব। নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনাও ৰাজ্যখনৰ আটাইকেইটা সমষ্টিতে বিজেপি, কংগ্ৰেছকে ধৰি আন আন দলসমূহে নিৰ্বাচনী প্ৰচাৰ চলায়। বিজেপিৰ জ্যেষ্ঠ নেতা নীতিন গাডকাৰীয়ে মাণ্ডি সংসদীয় সমষ্টিৰ কৰছ'গত বিজেপিৰ প্ৰাৰ্থী কংগনা ৰাণাৱটৰ হৈ নিৰ্বাচনী প্ৰচাৰ। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ যোগী আদিত্যনাথে কুল্লু সমষ্টিৰ ধলপুৰত এখন নিৰ্বাচনী জনসভাত ভাগ লোৱাৰ লগতে হামিৰপুৰ সমষ্টিৰ ঘুমাৰৱিনত আন এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লৈ বিজেপিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰৰ হৈ প্ৰচাৰ চলায়।

ওড়িশাৰ ৬টা সংসদীয় সমষ্টিৰ লগতে ৰাজ্যখনৰ ৪২টা বিধানসভা সমষ্টিটো পৰহিলৈ ভোটগ্ৰহণ হ'ব। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে ওড়িশাৰ বালাছ'ৰ লোকসভা সমষ্টিৰ ছিমুলিয়াত এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লৈ ৰাজ্যখনৰ শাসকীয় দল বি জে ডি আৰু বিজেপিৰ মাজত ৰাজনৈতিক মুনাফাৰ বাবে ভিতৰি বুজাপৰা থকাৰ অভিযোগ আনে। কংগ্ৰেছ জ্যেষ্ঠ নেতাগৰাকীয়ে লগতে কয় যে, বিজেপিৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে তেওঁৰ ওপৰত ৪২টাকৈ গোচৰ ৰুজু হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ সৈতে বুজাপৰা থকাৰ বাবে ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনায়ক

বহুকেইটা কেলেংকাৰিৰ সৈতে জড়িত হোৱাৰ স্বত্তেও কোনো এটা কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই তেওঁৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা নাই বুলিও কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীয়ে মন্তব্য কৰে।

আনহাতে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা জ্যেষ্ঠ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে হিমাচল প্ৰদেশৰ ছিমলা সংসদীয় সমষ্টিৰ অন্তৰ্গত ছলানত নিৰ্বাচনী প্ৰচাৰ চলায়। কংগ্ৰেছ নেত্ৰীগৰাকীৰ সৈতে মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখুও নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

ooooo

ভাৰতীয় ৰিজাৰ্ভ বেংকে চলিত বিত্তীয় বৰ্ষত দেশৰ অৰ্থনীতি ৭ শতাংশ হাৰত বৃদ্ধি পাব বুলি অনুমান কৰিছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত অবিৰত প্ৰত্যাহ্বানৰ মাজতো অৰ্থনীতিয়ে প্ৰদৰ্শন কৰা স্থিতিস্থাপকতালৈ লক্ষ্য ৰাখি এই অনুমান কৰা হৈছে। ৰিজাৰ্ভ বেংকে আজি প্ৰকাশ কৰা প্ৰতিবেদনত যোৱা বছৰৰ এপ্ৰিলৰ পৰা চলিত বছৰৰ মাৰ্চ পৰ্যন্ত কেন্দ্ৰীয় বেংকৰ কাৰ্যকলাপ অন্তৰ্ভুক্ত কৰা হৈছে। এই অনুসৰি চলিত বিত্তীয় বৰ্ষত মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ প্ৰায় ৭ শতাংশ হ'বগৈ। প্ৰতিবেদনত লগতে যোৱা বছৰৰ ৩১ মাৰ্চলৈ ভাৰতীয় অৰ্থনীতিৰ দ্ৰুত বৃদ্ধিৰ ফলত মুঠ ঘৰুৱা উৎপাদন ৭ দশমিক ৬ শতাংশলৈ বৃদ্ধি পায় বুলি উল্লেখ কৰা হৈছে।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৩-২৪ পৰ্যটন বৰ্ষৰ কাইলৈ অন্ত পৰিব। এই বৰ্ষটোতে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ভূটানৰ ৰজাকে ধৰি বহুসংখ্যক পৰ্যটকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিছে। সমাগত বাৰিষাৰ প্ৰতি লক্ষ্য ৰাখি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই উদ্যাখনত কাইলৈৰ পৰা হাতী ছাফাৰী, জীপ ছাফাৰীৰ লগতে পৰ্যটকৰ প্ৰৱেশ বন্ধ কৰিছে।

ooooo

কামৰূপ জিলাৰ মিৰ্জাত খাদ্যত বিষক্ৰিয়া হৈ অসুস্থ হৈ পৰা শিশুসহ ২৮জন লোকক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। ইয়াৰ ভিতৰত ১২জন লোকক জৰুৰীকালীনভাৱে চিকিৎসা সেৱা আগবঢ়াবলগীয়া হৈছে। বাকীসকলৰ স্বাস্থ্যৰ অৱস্থা সুস্থিৰ বুলি হাস্পতাল কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। জানিব পৰা মতে যোৱা ২৮ মে'ত মিৰ্জাৰ ঝাৰোবড়ীৰ চনপাৰাত এটা পৰিয়ালৰ প্ৰসাদ খোৱাৰ পাছতেই বহু লোক অসুস্থ হৈ পৰে। অসুস্থসকলক আজাৰা চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও পৰৱৰ্তী সময়ত ২১জনক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ স্থানান্তৰিত কৰা হয়। ইয়াৰ পাছত আৰু সাতজন লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

ooooo

৪ জুনত দেশৰ লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিন। দেশৰ অন্য প্ৰান্তৰ লগতে ৰাজ্যৰ ১৪টা সংসদীয় সমষ্টিতো হ'বলগীয়া ভোটগণনাৰ প্ৰস্তুতি সম্পৰ্কে কাইলৈ ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াই এখন সংবাদমেল সম্বোধন কৰিব। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে দিছপুৰৰ জনতা ভৱনত চাৰে ১১ বজাত সংবাদমেলখন সম্বোধন কৰিব।

ooooo

অসম আৰক্ষীয়ে সামাজিক মাধ্যমক ব্যৱসায়িক উদ্দেশ্যেৰে ব্যৱহাৰ কৰি লাভ অৰ্জন কৰাৰ অভিযোগত এগৰাকী মহিলা আৰক্ষীক দায়িত্বৰ পৰা নিলম্বন কৰিছে। আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে আজি সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰী বিষয়াই এনে ধৰণৰ ব্যৱসায়িক কাৰ্যকলাপ চলোৱাটো নীতিবৰ্হিভূত কাৰ্য। আৰক্ষীয়ে এই কথাৰ সম্ভেদ পোৱাৰ লগে লগে মহিলা আৰক্ষীগৰাকীৰ কাৰ্যৰ সত্যাসত্য নিৰূপণ কৰাৰ পাছতে তেওঁক নিলম্বন কৰে আৰু তেওঁৰ বিৰুদ্ধে বিভাগীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে আৰক্ষীৰ লোকসকলক চৰকাৰ, বিভাগীয় নীতি আৰু আইন বিৰোধী কাৰ্যৰ বাবে সামাজিক মাধ্যম ব্যৱহাৰ নকৰিবলৈ ইতিপূৰ্বে সকিয়াই দিয়া হৈছে। সঞ্চালক প্ৰধানগৰাকীয়ে ভৱিষ্যতে এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ সকলোকে আহ্বান জনায়।

ooooo

দৰং জিলাৰ দলগাঁও ৰাষ্ট্ৰীয় ঘাইপথত আজি আৰক্ষীয়ে বৃহৎ পৰিমাণৰ নিষিদ্ধ ভাং জব্দ কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে এখন ই-ৰিক্সাত দুটা মোনাত অনা অৱস্থাত ৫০ কিলোগ্ৰামৰো অধিক ওজনৰ ভাংখিনি আৰক্ষীয়ে নিয়মীয়া তালাচীৰ সময়ত জব্দ কৰে। এই সংক্ৰান্তত আৰক্ষীয়ে এজন লোকক গ্ৰেপ্তাৰ কৰিছে।

00000

অহা ২১ জুনত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযানপৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰিবলৈ আজি তেজপুৰত শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। উল্লেখযোগ্য যে যোগ দিৱসৰ পূৰ্বে সাদিনীয়াকৈ এটা কাৰ্যসূচীও জিলাখনত গ্ৰহণ কৰা হ'ব। এই বৈঠকত ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ তথা আয়ুষৰ সঞ্চালকৰ লগতে কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। বৈঠকত প্ৰকাশ কৰা মৰ্মে ১৪ জুনৰ পৰা ২০ জুনলৈ জিলাখনত যোগ দিৱসৰ প্ৰস্তুতি কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। জিলাখনৰ নিৰ্বাচিত কেইটামান স্থানত এই কাৰ্যসূচী লোৱা হ'ব বুলিও প্ৰকাশ কৰা হয়। আজিৰ বৈঠকত বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়া, যোগাভ্যাসকাৰী সংস্থাৰ প্ৰতিনিধি, স্বেচ্ছাসেৱী সংগঠনৰ সদস্য আৰু জিলা প্ৰশাসনৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

00000

বিশ্বনাথ জিলাৰ বিহালীৰ ৰাংচালিত সীমা শুল্ক বিভাগে চলোৱা অভিযানত হাতী দাঁতসহ এটা চোৰাং ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰা হৈছে। ৰাংচালিৰ কমাৰপুখুৰী চাৰিআলিত অভিযানকাৰী দলটোৱে দুটা হাতী দাঁতৰ সৈতে লোকজনক কৰায়ত্ত কৰে। জব্দ কৰা হাতী দাঁত দুটাৰ ওজন ২৭ কিলোগ্ৰাম বুলি প্ৰকাশ কৰা হৈছে।

00000

প্ৰয়াত প্ৰাক্তন মন্ত্ৰী তথা ৰঙিয়াৰ তিনিবাৰৰ বিধায়ক থানেশ্বৰ বড়োৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই ৰঙিয়াত আজি এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। অগপ দলৰ জিলা সমিতিয়ে ৰঙিয়া প্ৰগতি সংঘৰ বাকৰিত আয়োজন কৰা অনুষ্ঠানটোত প্ৰয়াত বড়োৰ পৰিয়ালবৰ্গৰ লগতে অগপ আৰু বিজেপিৰ বহুকেইগৰাকী মন্ত্ৰী-বিধায়ক তথা স্থানীয় লোকে অংশগ্ৰহণ কৰে। অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা আৰু অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই প্ৰয়াত নেতাগৰাকীক স্মৰণ কৰি অনাগত সময়ত তেখেতে দেখুৱাই থৈ যোৱা পথেৰে আগুৱাই যোৱাৰ সংকল্প লয়। ৰাজ্যিক বিজেপিৰ সভাপতি, ৰঙিয়াৰ বিধায়ক ভৱেশ কলিতাই প্ৰয়াত বড়োৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ এটা প্ৰতিমূৰ্তিৰ লগতে এটা পুথিভঁৰাল গঢ়ি তুলিব বুলি স্মৃতিচাৰণ সভাখনতে ঘোষণা কৰে। সভাখনতে প্ৰয়াত বড়োৰ অন্তিম সময়ছোৱাত সহায় আগবঢ়োৱা আৰু যত্ন লোৱা লোকসকলক অগপ দলৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সভাখনত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীকে ধৰি বহুকেইগৰাকী গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

00000

ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমা প্ৰশাসনৰ উদ্যোগত, বিলাসীপাৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত, বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰী, গৃহিনী তথা মহিলা কৰ্মচাৰী সকলৰ মাজত মহিলাসকলৰ ঋতুচক্ৰৰ সময়ত ল'বলগীয়া চাফ-চিকুণতা আৰু সাৱধানতাৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে এখন সভা অনুষ্ঠিত হয়। সভাখনত ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ স্ত্ৰী ৰোগ বিশেষজ্ঞ ডাঃ মুস্কুৰা আহমেদ হক, বিলাসীপাৰা দীপৰকুটি অসামৰিক চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসক ডাঃ মুৰতাজা জামান আৰু ৰাণীগঞ্জ চিকিৎসালয়ৰ স্বাস্থ্য বিষয়া ডাঃ হেমাংগ দাসে মহিলাসকলৰ ঋতুচক্ৰৰ সময়ত হ'ব পৰা সংক্ৰামক ৰোগ আৰু ইয়াৰ প্ৰতিকাৰৰ বিষয়ে ব্যাখ্যা কৰে। সভাৰ শেষত উপস্থিত মহিলাসকলৰ মাজত ছেনিটেৰি পেড বিতৰণ কৰাৰ লগতে নিষ্কাষণৰ স্বাস্থ্যসন্মত বিধি প্ৰদৰ্শন কৰা হয়।

00000

সমাপ্ত